# ৰাষ্ট্ৰপতি পুটিনৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাৰ্তালাপ

আগষ্ট 08, 2025

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আজি ৰাছিয়ান ফেডাৰেচনৰ ৰাষ্ট্ৰপতি মহামহিম ভ্লাদিমিৰ পুটিনৰ সৈতে এক টেলিফোনিক বাৰ্তালাপত মিলিত হয়।

ৰাষ্ট্ৰপতি পুটিনে প্ৰধানমন্ত্ৰীক ইউক্ৰেইন সম্পৰ্কীয় শেহতীয়া পৰিস্থিতিৰ বিষয়ে অৱগত কৰে।

ৰাষ্ট্ৰপতি পুটিনক তেওঁৰ বিশদ মূল্যায়নৰ বাবে ধন্যবাদ জনাই প্ৰধানমন্ত্ৰীয়ে সংঘাতৰ শান্তিপূৰ্ণ সমাধানৰ বাবে ভাৰতৰ ধাৰাবাহিক স্থিতিৰ কথা দোহাৰে।

নেতাদ্বয়ে দ্বিপাক্ষিক কাৰ্য্যসূচীৰ অগ্ৰগতি সম্পৰ্কেও পৰ্য্যালোচনাৰে ভাৰত-ৰাছিয়াৰ বিশেষ আৰু বিশেষ সুবিধাপ্ৰাপ্ত কৌশলগত অংশীদাৰিত্বক অধিক গভীৰকৰণৰ অংগীকাৰৰ কথা পুনৰ দৃঢ় কৰে।

প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি পুটিনক চলিত বৰ্ষৰ শেষৰ ফালে অনুষ্ঠিতব্য তেইশ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত ভাগ ল'বলৈ ভাৰত ভ্ৰমণলৈ আমন্ত্ৰণ জনায়।

নতুন দিল্লী

আগষ্ট 08, 2025